# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 18-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। লোকসভাত আজি ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ অধীনত থকা অনুদান দাবী বিষয়ক লৈ আলোচনা আৰু ভোটগ্ৰহণ অনুষ্ঠিত হ'ব

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ইউ এ ই-ৰ ৰাষ্ট্ৰপতিৰ সৈতে পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ সন্দৰ্ভত আলোচনা কৰে।

৩। অসম, কেৰালাম, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগৰ বিধানসভা নিৰ্বাচন আৰু ৬ খন ৰাজ্যৰ উপ-নিৰ্বাচনৰ বাবে ভাৰতৰ নিৰ্বাচন আয়োগে এহেজাৰ ১১১ গৰাকী কেন্দ্ৰীয় পৰ্যবেক্ষকক নিয়োগ কৰিছে।

৪। নতুন দিল্লীত আজি ভাৰত ট্ৰাইবছ্ ফেষ্ট ২০২৬ মুকলি কৰা হ'ব। *আৰু*

৫। ২০১০ চনৰ পাছত প্ৰথমবাৰলৈ হকী বিশ্বকাপৰ প্ৰথম ৰাউণ্ডতে ভাৰত আৰু পাকিস্তান মুখামুখি হ'ব।

০০০০০

লোকসভাত আজি ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ অধীনত থকা অনুদান দাবী বিষয়কলৈ আলোচনা আৰু ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইয়াৰ উপৰিও গৃহ মন্ত্ৰালয়, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় আৰু শক্তি মন্ত্ৰালয়ৰ অধীনত থকা অনুদান দাবীসমূহ সন্দৰ্ভতো আজি আলোচনা আৰু ভোটগ্ৰহণ হোৱাৰ কথা।

কালি লোকসভাত ভাৰতীয় ৰে'ল মন্ত্ৰালয়ৰ অধীনত থকা অনুদান দাবী বিষয়ক আলোচনাৰ উত্তৰত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সদৰী কৰে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে বিগত এটা দশকত ৰেল খণ্ডত ব্যাপক পৰিৱৰ্তন সাধন কৰিছে আৰু সকলো দিশৰ উন্নয়নৰ বাবে কাম কৰিছে। তেওঁ লগতে কয় যে, এই সময়ছোৱাত ৰে'লৱেৰ আৰ্থিক অৱস্থা যথেষ্ট সুদৃঢ় হৈছে।

ইপিনে, সংসদে Appropriation Bill 2026 গৃহীত কৰিছে। ৰাজ্যসভাই কালি বিধেয়কখন সন্দৰ্ভত আলোচনা সম্পূৰ্ণ কৰি ইয়াক পুনৰ লোকসভালৈ উভতাই পঠিয়াইছে। ইতিমধ্যে লোকসভাই এই বিধেয়কখনত অনুমোদন জনাইছে। এই বিধেয়কখনৰ জৰিয়তে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ভাৰতৰ সংহত পুঁজিৰ পৰা অতিৰিক্ত ধন ব্যয় কৰাৰ অধিকাৰ প্ৰদান কৰা হৈছে।

ৰাজ্যসভাত আলোচনাৰ উত্তৰত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰকাশ কৰে যে, কেন্দ্ৰই অৰ্থনৈতিক স্থিতিশীলতা পুঁজিৰ বাবে ৫৭ হাজাৰ ৩৮১ কোটিৰো অধিক ধনৰাশি আবণ্টন দিছে। আসন্ন ৰবি শস্যৰ বতৰৰ বাবে উদ্ভৱ হ'ব পৰা অতিৰিক্ত প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ ১৯ হাজাৰ ২৩০ কোটি টকা নিৰ্ধাৰণ কৰা বুলি শ্ৰীমতী সীতাৰমণে উল্লেখ কৰে।

তেওঁ লগতে জম্মু আৰু কাশ্মীৰৰ উন্নয়নৰ প্ৰয়োজন পূৰণৰ বাবে কেন্দ্ৰীয় সহায় হিচাপে ৫ হাজাৰ কোটি টকা আবণ্টন দিয়াৰ কথাও সদৰী কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ- ইউ এ ই-ৰ ৰাষ্ট্ৰপতি শ্বেখ মহম্মদ বিন জায়েদ অল নাহিয়ানৰ সৈতে টেলিফোনিক বাৰ্তালাপ কৰে। এই বাৰ্তালাপত দুয়োগৰাকী নেতাই পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ সন্দৰ্ভত আলোচনা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে ইউ এ ইৰ জনসাধাৰণৰ জীৱন তথা অসামৰিক আন্তঃগাঁথনিৰ ক্ষতি কৰা সকলো আক্ৰমণক গৰিহণা দিয়ে। তেওঁ লগতে কয়, যে হৰমুজ প্ৰণালীৰ মাজেৰে নিৰাপদ আৰু মুক্ত যাতায়াত নিশ্চিত কৰাৰ ক্ষেত্ৰত দুয়ো পক্ষ একমত। বাৰ্তালাপৰ সময়ত শ্ৰীমোদীয়ে কয়, যে অঞ্চলটোত শান্তি, নিৰাপত্তা আৰু স্থিতিশীলতাৰ পুনৰুদ্ধাৰৰ বাবে দুয়োখন দেশে একেলগে কাম কৰি যাব। তেওঁ লগতে ইউ এ ইৰ ৰাষ্ট্ৰপতিগৰাকীক আগতীয়াকৈ ঈদৰ শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০

অসম, কেৰালাম, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগৰ বিধানসভা নিৰ্বাচন আৰু ৬ খন ৰাজ্যৰ উপ-নিৰ্বাচনৰ বাবে ভাৰতৰ নিৰ্বাচন আয়োগে এহেজাৰ ১১১ গৰাকী কেন্দ্ৰীয় পৰ্যবেক্ষকক নিয়োগ কৰিছে। ইয়াৰে ৫৫৭ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ১৮৮ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ৩৬৬ গৰাকী ব্যয় নিৰীক্ষক। সাধাৰণ নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কয়, যে এই নিৰ্বাচন হিংসামুক্ত আৰু প্ৰৰোচনামুক্ত পদ্ধতিৰে অনুষ্ঠিত কৰা হ'ব যাতে প্ৰতিগৰাকী ভোটদাতাই নিৰ্ভয়ে ভোটদান কৰিব পাৰে। নিৰ্বাচন আয়োগে আজিৰ ভিতৰত এই পৰ্যবেক্ষকসকলক নিজ নিজ বিধানসভা সমষ্টিত নিয়োজিত হ'বলৈ নিৰ্দেশ দিছে। ইয়াৰ উপৰিও পৰ্যবেক্ষকসকলক তেওঁলোকৰ যোগাযোগৰ তথ্য ৰাজহুৱা কৰিবলৈ আৰু প্ৰাৰ্থী, ৰাজনৈতিক দল, তেওঁলোকৰ প্ৰতিনিধি অথবা জনসাধাৰণৰ মাজৰ পৰা যিকোনো সদস্যক সাক্ষাৎ কৰি নিৰ্বাচন সম্পৰ্কীয় যিকোনো অভিযোগ শুনাৰ বাবে নিৰ্দিষ্ট সময় নিৰ্ধাৰণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা লোকসভাৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কালি দলৰ পৰা পদত্যাগ কৰে। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ প্ৰেৰণ কৰা এখন পত্ৰত শ্ৰীবৰদলৈয়ে দলৰ প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰাৰ সিদ্ধান্ত ঘোষণা কৰে। উল্লেখযোগ্য যে প্ৰদ্যুৎ বৰদলৈ অসমৰ নগাঁও লোকসভা সমষ্টিক প্ৰতিনিধিত্ব কৰে।

০০০০০

ৰাষ্ট্ৰীয় ৰাজধানীত আজিৰে পৰা জনজাতীয় জনগোষ্ঠীসমূহৰ সাংস্কৃতিক ঐতিহ্য আৰু উদ্যোগীকৰণক প্ৰদৰ্শন কৰাৰ উদ্দেশ্যে ভাৰত ট্ৰাইবছ ফেষ্ট ২০২৬ মুকলি কৰা হ'ব। কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল অৰামে ভাৰতীয় জনজাতি সমবায় বিপণন উন্নয়ন ফেডাৰেচনে সুন্দৰ নাৰ্চাৰীত আয়োজন কৰা এই মহোৎসৱৰ মুকলি কৰিব। ২০০ৰো অধিক বিপণী থকাৰ উপৰিও দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ৩০০ গৰাকীৰো অধিক জনজাতীয় শিল্পীয়ে অংশগ্ৰহণ কৰিবলগীয়া এই মহোৎসৱৰ ৩০ মাৰ্চত সামৰণি পৰিব।

০০০০০

নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত থকা অমৃত উদ্যানত কালি ১১ হাজাৰৰো অধিক জ্যেষ্ঠ নাগৰিকে দৰ্শন কৰে বুলি সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য কালিৰে পৰা এই অমৃত উদ্যান জ্যেষ্ঠ নাগৰিকৰ বাবে বিশেষভাৱে মুকলি কৰা হয়। ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চল, দিল্লী আৰক্ষীৰ জ্যেষ্ঠ নাগৰিক কোষ আদিৰ সহযোগত সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ে এই সুবিধা প্ৰদান কৰে। মন্ত্ৰালয়ে কয়, যে জ্যেষ্ঠ নাগৰিকসকলক অমৃত উদ্যানৰ সৌন্দৰ্য অনুভৱ কৰোৱাৰ লগতে সামাজিক আৰু বিনোদনমূলক কাম-কাজত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। জ্যেষ্ঠ নাগৰিকসকলৰ অমৃত উদ্যানত এই ভ্ৰমণ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ যাতায়াতৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হৈছে বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে। ইয়াৰ দ্বাৰা জ্যেষ্ঠ নাগৰিকসকলে অমৃত উদ্যানৰ ঋতুভিত্তিক ফুল, শস্য আৰু বিভিন্ন অংশৰ সৌন্দৰ্য উপভোগ কৰিব পাৰিব।

ooooo

কাটাৰ এয়াৰ লাইনছে কালি ভাৰতলৈ পাঁচখন বিমানৰ ব্যৱস্থা কৰি প্ৰায় ১ হাজাৰ ৬০০ ভাৰতীয় নাগৰিকক স্থানান্তৰ কৰা বুলি দোহাস্থিত ভাৰতীয় দূতাবাসে সদৰী কৰিছে ।

কাটাৰত চলি থকা আকাশমাৰ্গৰ নিষেধাজ্ঞাৰ মাজতে এই বিমানসমূহ পৰিচালনা কৰা হয়। দূতাবাসে লগতে প্ৰকাশ কৰিছে যে, আজিৰ পৰা বিমান সংস্থাটোৱে সংযোগ বৃদ্ধি কৰাৰ পৰিকল্পনা কৰিছে আৰু ভাৰতৰ নটা গন্তব্যস্থানলৈ বিমান সেৱা চলোৱাৰ ব্যৱস্থা কৰিছে। দূতাবাসে জাৰি কৰা পৰামৰ্শ অনুসৰি, কাটাৰৰ আকাশী পথ এতিয়াও বহুলাংশে বন্ধ আছে আৰু বৰ্তমান সীমিত বিমান চলাচলৰহে অনুমতি দিয়া হৈছে। যাত্ৰীসকলক বিমান সংস্থাৰ চৰকাৰী ৱেবছাইট, মোবাইল এপ্লিকেশ্যন অথবা অনুমোদিত ভ্ৰমণ এজেণ্টৰ জৰিয়তেহে টিকট বুকিং কৰিবলৈও পৰামৰ্শ দিয়া হৈছে।

দূতাবাসে লগতে জনাইছে যে, চৌদি আৰৱৰ মাজেৰে স্থলপথেৰে ছালৱা সীমান্ত অতিক্ৰম কৰি ভাৰতলৈ উভতি যাব বিচৰা লোকসকলৰ বাবে অস্থায়ী ট্ৰাঞ্জিট্ ভিছাৰ ব্যৱস্থা কৰা হৈছে। অহা সম্পূৰ্ণ সপ্তাহটোত দূতাবাস খোলা থাকিব আৰু পাছপ'ৰ্ট প্ৰদানকে ধৰি কনছুলাৰ সেৱাসমূহ আগবঢ়োৱা হ'ব। সহায়মূলক ব্যৱস্থাৰ অংশ হিচাপে কাটাৰত থকা ভাৰতীয় মৎস্যজীৱী সম্প্ৰদায়ৰ সদস্যসকলক শুকান খাদ্য সামগ্ৰী বিতৰণ কৰা বুলিও দূতাবাসে জানিবলৈ দিছে।

ooooo

চিৰ প্ৰতিদ্বন্দ্বী ভাৰত আৰু পাকিস্তানক FIH পুৰুষ হকী বিশ্বকাপ ২০২৬ৰ পুল ডিত স্থান দিয়া হৈছে আৰু দল দুটাৰ মাজৰ খেল আমষ্টাৰডামত অনুষ্ঠিত হ'ব। পুল ডিত ইংলেণ্ড আৰু ৱেলছকো ৰখা হৈছে।

বেলজিয়াম আৰু নেদাৰলেণ্ডছে যৌথভাৱে আয়োজন কৰা এই প্ৰতিযোগিতা অহা ১৫ আগষ্টৰ পৰা ৩০ আগষ্টলৈ আমষ্টাৰডাম আৰু ৱাভ্ৰেত অনুষ্ঠিত হ'ব।
১৬টা দলে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাত দলসমূহক চাৰিটা গ্ৰুপ বা গোটত বিভক্ত কৰা হৈছে।

ইপিনে একে সময়তে অনুষ্ঠিত হ'বলগীয়া FIH মহিলা হকী বিশ্বকাপ প্ৰতিযোগিতা ২০২৬ত ভাৰতীয় দলটো পুল ডিত ইংলেণ্ড, চীন আৰু দক্ষিণ আফ্ৰিকাৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰিব। দুদিন পূৰ্বে হায়দৰাবাদত অনুষ্ঠিত চূড়ান্ত যোগ্যতা নিৰ্ণয়কাৰী ফাইনেল খেলত

ভাৰতীয় দলটো ইংলেণ্ডৰ বিৰুদ্ধে ০-২ গ'লত পৰাজিত হৈ ৰানাৰ্ছ-আপত ক্ষান্ত থাকিবলগীয়া হৈছিল।

উল্লেখযোগ্য যে, ২০১০ চনত নতুন দিল্লীত অনুষ্ঠিত সংস্কৰণৰ পাছত এইবাৰ প্ৰথমবাৰলৈ বিশ্বকাপৰ প্ৰথম ৰাউণ্ডতেই ভাৰত আৰু পাকিস্তান মুখামুখি হ'ব। পুৰুষ আৰু মহিলা উভয় বিশ্বকাপৰ পূৰ্ণাংগ সূচী কাইলৈ প্ৰকাশ কৰা হ'ব।

০০০০০

ভাৰতৰ আকৰ্ষি কাশ্যপে Orleans Masters 2026 বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ মূল পৰ্বত প্ৰৱেশ কৰিছে। আকৰ্ষিয়ে কালিৰ দুয়োখন যোগ্যতা নিৰ্ণয়কাৰী খেলত জয়লাভ কৰি এই সাফল্য অৰ্জন কৰে।

ফ্ৰান্সৰ Palais des Sportsত অনুষ্ঠিত প্ৰতিযোগিতাত আকৰ্ষিয়ে প্ৰথমখন খেলত প্ৰতিদ্বন্দ্বী শ্ৰিয়াংশী ভালিশেট্টিক ২১-১৯, ১৭-২১, ২১-১৩ ব্যৱধানত আৰু চাইনিজ টাইপেইৰ লি ইউ-হ্সুৱানক ২১-১৭, ২১-১৯ ব্যৱধানত পৰাজিত কৰে। মূল পৰ্বৰ প্ৰথম ৰাউণ্ডত আকৰ্ষিয়ে ছিংগাপুৰৰ কমনৱেলথ গেমছৰ ব্ৰঞ্জ পদক বিজয়ী ইয়েও জিয়া মিনৰ বিৰুদ্ধে খেলিব।

ইপিনে, পুৰুষ ডাবলছৰ প্ৰথম ৰাউণ্ডত চাইনিজ টাইপেইৰ লাই পো-ইউ আৰু ছাই ফু-চেং জুটিয়ে ভাৰতৰ অৰ্জুন ৰেড্ডি পোচানা আৰু অচ্যুতাদিত্য ৰাঅ' দোদ্দাভাৰাপুৰ জুটিক ২১-৭, ২১-৯ ব্যৱধানত পৰাস্ত কৰিছে।

আজি BWF Super 300 প্ৰতিযোগিতাত বিশ্বৰ প্ৰাক্তন শীৰ্ষস্থানৰ খেলুৱৈ কিদাম্বী শ্ৰীকান্তৰ লগতে যুৱ খেলুৱৈ আয়ুষ শেট্টি, মালভিকা বাঞ্চ'ড়, অনমল খৰ্ব আৰু তনভী শৰ্মায়ো নিজৰ অভিযান আৰম্ভ কৰিব। ভাৰতৰ শীৰ্ষ ডাবলছ জুটি সাত্বিক-সাইৰাজ ৰাংকিৰেড্ডি আৰু চিৰাগ শেট্টী, দুবাৰকৈ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধু আৰু লক্ষ্য সেনে এইবাৰৰ Orleans Mastersত অংশগ্ৰহণ নকৰিবলৈ সিদ্ধান্ত লৈছে।

০০০০০

সমাপ্ত